অসম বিধান সভা
উত্তৰদানৰ তাৰিখ- ১৫/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং - ৩৯০
*বিষয়ঃ* অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ।
শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

**মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) **অসম -বাংলাদেশ সীমান্তৰ দৈৰ্ঘ্য কিমান ? ২০১৬ ইং চনলৈকে কিমান দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে?**

(খ) **২০১৬ চনৰ পিছৰ পৰা বৰ্তমানলৈকে কিমান দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ হৈছে ? বিতংকৈ জনাব।**

(গ) **নদী আৰু পাহাৰীয়া অঞ্চলত সীমান্ত ছীল কৰাৰ বাবে কোনো উন্নত মানৰ প্ৰযুক্তি ব্যৱহাৰ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? বিতংভাৱে জনাব।**

**উত্তৰ**

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।**

**(ক) অসম**-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India **ৰ তথ্য অনুসৰি**), **অসমৰ ধুবুৰী,** দক্ষিণশালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে। এই সীমাৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু ৩৮.৯৫৯ কি.মি. দৈৰ্ঘ্যত কাঁইটিয়া তাঁৰৰ বেৰ দিব পৰা নাই । ইয়াৰে ধুবুৰী, দক্ষিণশালমাৰা-মানকাচৰ জিলাৰ ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) **ৰ আপত্তিৰ বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই।**

**(খ) অসম** -বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্যৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে।

**(গ)** অসম-বাংলাদেশ সীমা-**সম্পূৰ্ণৰূপে ছীল কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। নদী আৰু পাহাৰীয়া অঞ্চলত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰাটো ভৌগোলিক কাৰণত কঠিন হোৱাৰ বাবে তাত উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি মুক্ত হৈ নদী অঞ্চল সমূহত** Border Security force **এ** CIBMS-**ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়া ভাবে জল ভাগ নিৰীক্ষণ কৰি আহিছে, লগতে নিৰীক্ষণ চকী** (OP), **বাহন আৰু নাঁও টহল,** CCTV, PTZ **কেমেৰা,** Comprehensive Integrated Border Management System (CIBMS) **আৰু** water wing **ৰ সহায়ত নিয়মীয়া টহল চলাই আছে। ইয়াৰ উপৰিও বাকী থকা শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰৰ ৪.৩৫ কি:মি: দৈৰ্ঘ্যৰ অংশ** Border Security force **এ নিৰাপত্তা ব্যৱস্থাৰ অধিনত ৰখা হৈছে।**

**বিঃদ্ৰঃ** - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে।

********